জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৬৯১/২০২০

## অসম-মিজোৰাম সীমান্তৰ সংঘাত সম্পৰ্কত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰণালয়ক অৱগত কৰিলে মুখ্যমন্ত্ৰীয়ে

## মিজোৰামৰ মুখ্যমন্ত্ৰীৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## সীমান্তত আইন-শৃংখলা অটুট ৰখাৰ পোষকতা কৰিলে দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৮ অক্টোবৰ ঃ** অসম আৰু মিজোৰাম সীমান্তত সংঘটিত ঘটনাৱলী সম্পৰ্কত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টেলিফোনযোগে প্ৰধানমন্ত্ৰীৰ কাৰ্যালায়ক অৱগত কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে এই বিষয়টোৰ সম্পৰ্কত গৃহমন্ত্ৰণালয়কো টেলিফোনযোগে সবিশেষ অৱগত কৰে।

ইয়াৰ উপৰি মুখ্যমন্ত্ৰীয়ে আজি টেলিফোনযোগে মিজোৰামৰ মুখ্যমন্ত্ৰী জোৰামথাংগাৰ সৈতেও অসম-মিজোৰাম সীমান্তত সংঘটিত ঘটনাৱলী সম্পৰ্কত বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দুয়োখন ৰাজ্যই সীমান্তত সংঘটিত উত্তেজনাময় পৰিস্থিতি প্ৰশমনৰ বাবে ফলপ্ৰসূ পদক্ষেপ ল'ব লাগে। শান্তি-শৃংখলা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত দুয়োখন চৰকাৰে সহযোগিতাৰে কাম কৰাৰ পোষকতা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সীমান্তৰ বিবাদ আলোচনাৰ মাধ্যমেৰে সমাধান কৰিব পৰা যায়। সীমান্তত সমস্যা থাকিলেও আলাপ-আলোচনাৰ মাধ্যমেৰে তাক সমাধান কৰিব লাগিব। সংঘাতৰ পৰিৱৰ্তে আলাপ-আলোচনাৰ মাধ্যমেৰেহে সমস্যাৰ সমাধান সূত্ৰ উলিওৱাটো সম্ভৱ। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বত উত্তৰ পূৰ্বাঞ্চলে উন্নয়নৰ নতুন যাত্ৰা পথৰে অগ্ৰসৰ হ'বলৈ সক্ষম হৈছে। উন্নয়নৰ এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত শান্তি-শৃংখলা অটুত ৰখাতো নিতান্তই প্ৰয়োজন। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত থকা ভাতৃত্ববোধৰ বান্ধোন অধিক সুদৃঢ় কৰিব লাগিলে বিবাদ এৰাই চলিব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত সহযোগিতা থাকিলেহে ভাতৃত্ববোধৰ বান্ধোন অধিক সুদৃঢ় হৈ পৰিব। সংঘাত, মতানৈক্য থাকিব পাৰে, আলোচনাৰ মাধ্যমেৰেহে ঐক্যমতত উপনীত হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

টেলিফোনযোগে হোৱা বাৰ্তালাপৰ সময়ত মিজোৰামৰ মুখ্যমন্ত্ৰী গৰাকীয়ে দুয়োখন ৰাজ্যৰ মাজত থকা সীমান্তত শান্তি-শৃংখলা অটুত ৰখাৰ ক্ষেত্ৰত ইতিবাচক ভাৱে কাম কৰাৰ আশ্বাস প্ৰদান কৰে।

**পুঃডেঃ / বঃভাঃ**
**১৮/১০/২০২০**